**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-Aug-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ।

২। এন আৰ চি প্ৰস্তুত প্ৰক্ৰিয়াৰ বিসংগতি আদালতে বিচাৰ কৰিব বুলি অসম মন্ত্ৰীসভাৰ বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰকাশ। আন্তঃধৰ্মীয় ভূমি ক্ৰয়-বিক্ৰীৰ নতুন এছ অ' পিত মন্ত্ৰীসভাৰ অনুমোদন।

৩। ফৰকাটিং আৰু নিউ তিনিচুকীয়াৰ মাজৰ ১৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ দ্বৈতকৰণত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

৪। খনিজ তেল আৰু গেছৰ ৰয়েল্টি লাভ কৰা ৰাজ্যৰ তালিকাত ২০২৪-২৫ বৰ্ষত অসমৰ শীৰ্ষস্থান। **আৰু**

৫। কমনৱেল্‌থ ভাৰোত্তোলনত অভিনৱ গগৈৰ তিনিটাকৈ অভিলেখ। হেমন্ত দৈমাৰীৰো সোণৰ পদক অৰ্জন।

০০০০০০

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী শুভাৰম্ভ কৰিব। শ্ৰীশ্বাহে কাইলৈ খানাপাৰা খেলপথাৰত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। সন্মিলনৰ পূৰ্বে শ্ৰী শ্বাহে অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নতুন ৰাজভৱন পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বিভিন্ন দিশসমূহ প্ৰত্যক্ষ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় কামসমূহ নিয়াৰিকৈ সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

অসম মন্ত্ৰীসভাই আন্তঃধৰ্মীয় ভূমি ক্ৰয়-বিক্ৰীৰ নতুন বিশেষ কাৰ্যবিধি অৰ্থাৎ এছ অ' পিত অনুমোদন জনাইছে। কালি বিয়লি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত তেওঁ এইকথা প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে দুটা ভিন্ন ধৰ্মৰ ব্যক্তিৰ মাজত ভূমি হস্তান্তৰকৰণৰ ক্ষেত্ৰত চৰকাৰৰ বিশেষ অনুমোদনৰ প্ৰয়োজন হ'ব বুলি ইতিমধ্যে লোৱা সিদ্ধান্ত কাৰ্যকৰীকৰণ কৰা হৈছে। এতিয়াৰে পৰা অন্য ধৰ্মৰ লোকক ভূমি ক্ৰয়-বিক্ৰী কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ অনুমোদনৰ প্ৰয়োজন হ'ব। তেওঁ লগতে কয়, যে ভূমি বিক্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰা হ'ব। ভূমি ক্ৰয় কৰা বা বিক্ৰী কৰা লোকৰ

আয়ৰ উৎসৰ ওপৰতো দৃষ্টি ৰখা হ'ব বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। আনহাতে, একে ধৰ্মৰ লোকৰ মাজত ভূমিৰ বেচা কিনাৰ ক্ষেত্ৰত নতুন এছ্ অ' পি প্ৰযোজ্য নহয় বুলি তেওঁ কয়। ৰাজ্যৰ বাহিৰৰ এন জি অ'ই ভূমি ক্ৰয়ৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব বুলি মুখ্যমন্ত্রীয়ে প্ৰকাশ কৰে। নতুন এছ্ অ' পি অনুসৰি ভূমি বিক্ৰীৰ বাবে দাখিল কৰা আবেদন চক্ৰ বিষয়াই জিলা আয়ুক্তলৈ প্ৰেৰণ কৰিব। জিলা আয়ুক্তৰ জৰিয়তে এই আবেদন ৰাজহ বিভাগে লাভ কৰাৰ পাছত অসম আৰক্ষীৰ বিশেষ শাখাৰ পৰা সেই সন্দৰ্ভত প্ৰতিবেদন বিচৰা হ'ব। পৰৱৰ্তী কাৰ্যসূচীত আৰক্ষীৰ বিশেষ শাখাই সংশ্লিষ্ট ভূমি বিক্ৰীৰ আবেদনৰ তথ্য পৰীক্ষা কৰিব।

এন আৰ চি প্ৰস্তুত প্ৰক্ৰিয়াত ৰৈ যোৱা বিসংগতিসমূহ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্রী ড০ শৰ্মাই কয়, যে এনেধৰণৰ বিসংগতিসমূহ সময় অনুযায়ী আদালতে উপযুক্ত ধৰণেৰে বিচাৰ বিবেচনা কৰিব।

**বাইট (চি এম)**

বাংলাদেশৰ পৰা ধুবুৰীৰ লোকলৈ ফোনকল অহা বিষয়টো সন্দৰ্ভত অসম আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্রীয়ে মন্তব্য কৰে। এইক্ষেত্ৰত আলী হুছেইন নামৰ এজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অসম চৰকাৰে বৃহৎ সংখ্যক বাংলাদেশী নাগৰিকক ওভতাই পঠিয়াবলৈ সমৰ্থ হৈছে বুলি ড০ শৰ্মাই সংবাদমেলত অৱগত কৰে।

কালিৰ বৈঠকত অসম উদ্যানশস্য উন্নয়ন লিমিটেডৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। কৰ্মচাৰীসকলক প্ৰাপ্য আদায়ৰ বাবে মন্ত্রীসভাই ৬ কোটি টকা মঞ্জুৰি দিয়ে। মন্ত্রীসভাই ৯৬৯ কোটি টকা ব্যয় সাপেক্ষ ৪টা বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনায়। এই বিনিয়োগৰ জৰিয়তে ২ হেজাৰ ৭০৪টা নিয়োগ সৃষ্টি হ'ব।

বিটিচি নিৰ্বাচনৰ নিৰ্বাচনী অধীসূচনাৰ বাবে সৰুসজাইত হৈ যোৱা ঝুমইৰ বিনন্দিনীত অংশ লোৱা শিল্পীসকলক অহা ১২ অক্টোবৰত মাননী প্ৰদান কৰাত মন্ত্রীসভাই অনুমোদন জনায়।

ইপিনে, উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৮ ছেপ্তেম্বৰৰ পৰিৱৰ্তে ১৩ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব বুলি সংবাদমেলত মুখ্যমন্ত্রী ড° শৰ্মাই প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ১৩ ছেপ্তেম্বৰত বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশ ল'ব। তেওঁ ১৪ ছেপ্তেম্বৰত নুমলীগড় আৰু মঙলদৈত আয়োজিত কাৰ্যসূচীত অংশ ল'ব।

০০০০০০

কেন্দ্ৰীয় মন্ত্রীসভাই ফৰকাটিং আৰু নিউ তিনিচুকীয়াৰ মাজৰ ১৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ দ্বৈতকৰণত অনুমোদন জনাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৩ হাজাৰ ৬৩৪ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্প ৰূপায়ণ কৰিব। উল্লেখযোগ্য যে এই ৰে'লপথছোৱা উজনি অসমৰ সৈতে দেশৰ বাকী অংশক সংযোগ কৰাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। দ্বৈতকৰণৰ ফলত ৰে'লপথছোৱাৰে ৰে'ল চলাচলৰ সুবিধা হোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল সংযোগ অধিক উন্নত কৰি অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্রীসভাই কালি অসমৰ উপৰি কৰ্ণাটিক, তেলেংগানা আৰু বিহাৰৰ বাবে মুঠ ১২ হাজাৰ ৩২৮ কোটি টকা ব্যয়সাপেক্ষ চাৰিটা প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পসমূহৰ জৰিয়তে ভাৰতীয় ৰে'ল নেটৱৰ্কত ৫৬৫ কিলোমিটাৰ পথ সংযুক্ত হ'ব।

০০০০০০

২০২৪-২৫ বৰ্ষত খনিজ তেল আৰু গেছৰ ক্ষেত্ৰত ৰয়েল্টি লাভ কৰা ৰাজ্যৰ তালিকাত অসমে শীৰ্ষস্থান অধিকাৰ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ পৰিসংখ্যা অনুসৰি অসমে খনিজ তেল আৰু গেছৰ উৎপাদনৰ ৰয়েল্টি হিচাপে এই বছৰটোত ৩ হাজাৰ ৭৬৬ কোটিৰো অধিক টকা অৰ্থাৎ সৰ্বাধিক ধন লাভ কৰিছে। ২০২৩-২৪ বৰ্ষত ৰাজ্যখনে ৩ হাজাৰ ৬৭২ কোটিৰো অধিক আৰু ২০২২-২৩ বৰ্ষত ৩ হাজাৰ ৯৭৭ কোটিৰো অধিক টকা লাভ কৰিছিল বুলি মন্ত্ৰালয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

নগাঁও জিলা প্ৰশাসনে কালি ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ প্ৰায় ২৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰে। ৰাজ্য চৰকাৰৰ নিৰ্দেশনা অনুসৰি জিলা প্ৰশাসনে অবৈধ দখলকাৰীক ভূমি খালী কৰাৰ বাবে জাননী জাৰি কৰিছিল। জিলা প্ৰশাসনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই একাংশ দখলকাৰীয়ে বাসগৃহ এৰি অন্য ঠাইলৈ গুচি যোৱাৰ ফলত প্ৰশাসন উচ্ছেদ চলোৱাৰ পৰা বিৰত থাকে।

ধিং ৰাজহ চক্ৰৰ আন ৭ খন গাঁৱৰ এহেজাৰ ৪৭ বিঘা চৰকাৰী ভূমিত দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি ৰাজহচক্ৰ বিষয়া সৌৰভ কুমাৰ দাসে জানিবলৈ দিছে। বালিসত্ৰ, ডুমডুমীয়া বজাৰ, আহোমগাওঁ, ৰাজাবাৰী গ্ৰাণ্ট, ৰৌমাৰী বিল, লহকৰঘাট আৰু বটামাৰী ৰিজাৰ্ভৰ প্ৰায় ৭০০ পৰিয়ালক উচ্ছেদ কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়।

বাইট

বিশ্বনাথ জিলাৰ উচ্ছেদিত ননকে জাপৰিগুৰি অঞ্চলত কালি জিলা প্ৰশাসনৰ উদ্যোগত গছপুলি ৰোপণ আৰু তাঁৰৰ বেৰ নিৰ্মাণৰ শুভাৰম্ভ কৰা হয়। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত বিশ্বনাথ আঞ্চলিক পঞ্চায়তৰ দ্বাৰা ২৪ লাখৰো অধিক টকা ব্যয়সাপেক্ষে এই কাম সম্পন্ন কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মীৰ লগতে আত্মসহায়ক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে গছপুলি ৰোপণ কৰে। এই উপলক্ষে আয়োজিত এখন সভাত বিধায়ক প্ৰমোদ বৰঠাকুৰ, জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে ভাষণ দিয়ে।

০০০০০০

গুৱাহাটী মহানগৰীত কালি সন্ধিয়াৰ ভাগত হোৱা এজাক ধাৰাসাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল প্লাৱিত হোৱাৰ লগতে যোৰাবাটত এজন লোকে প্ৰাণ হেৰুৱায়। বৰষুণৰ ফলত যোৰাবাট, খানাপাৰা, হাতীগাওঁ, ৰুক্মিণী নগৰ, ভেটাপাৰাকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যায়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ঠায়ে ঠায়েও কৃত্ৰিম বানৰ সৃষ্টি হয়। মহানগৰীৰ বিভিন্ন অঞ্চলত হোৱা তীব্ৰ যান-জঁটৰ পৰিপ্ৰেক্ষিতত কৰ্মস্থলীৰ পৰা গৃহ অভিমুখী লোকসকলৰ লগতে অন্যান্য পথাচাৰীসকল কেইবাঘণ্টাজুৰি পথত আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা-

বাইট

০০০০০০

গুজৰাটৰ আহমেদাবাদত চলি থকা কমনৱেল্থ ভাৰোত্তোলন প্ৰতিযোগিতাত কালি অসমৰ অভিনৱ গগৈ আৰু হেমন্ত দৈমাৰীয়ে সোণৰ পদক অৰ্জন কৰি এই প্ৰতিযোগিতাত ৰাজ্যখনৰ খেলুৱৈৰ সোণৰ পদকৰ সংখ্যা ৪ লৈ বৃদ্ধি কৰিলে। ল'ৰাৰ যুৱ শাখাৰ ৭১ কিলোগ্ৰামত অভিনৱ গগৈয়ে তিনিটাকৈ নতুন অভিলেখ গঢ়ি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। তেওঁ স্নেটছত ১২৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫৫ কিলোগ্ৰাম উত্তোলন কৰে। সামগ্ৰিকভাৱে ২৭৮ কিলোগ্ৰামৰ ভাৰোত্তোলন কৰি খেলুৱৈগৰাকীয়ে তিনিওটা শাখাতে নতুন অভিলেখ ৰচিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে স্নেটছ, ক্লিন এণ্ড জাৰ্ক আৰু সামগ্ৰিক ওজন উত্তোলন এই তিনিওটা শাখাত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অভিলেখ গঢ়া অভিনৱ গগৈয়ে হৈছে প্ৰথমগৰাকী অসমীয়া খেলুৱৈ।

প্ৰতিযোগিতাখনত ল'ৰাৰ জুনিয়ৰৰ ৭১ কিলোগ্ৰাম শাখাত হেমন্ত দৈমাৰীয়ে সোণৰ পদক অৰ্জন কৰে। তেওঁ স্নেটছত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৪৬ কিলোগ্ৰাম ওজন উত্তোলন কৰি সামগ্ৰিকভাৱে ২৬৪ কিলোগ্ৰাম উত্তোলন কৰিবলৈ সমৰ্থ হয়। অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খেলুৱৈ দুগৰাকীৰ সফলতাত অভিনন্দন জ্ঞাপন কৰিছে। প্ৰতিযোগিতাত অসমৰ পৰা ৫ গৰাকী ভাৰোত্তোলকে অংশ লৈছে আৰু ইয়াৰে চাৰিগৰাকীয়ে সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ আগেয়ে ধৰ্মজিৎ দেওঘৰীয়া আৰু ভাৱনা

গগৈয়ে সোণৰ পদক অৰ্জন কৰিছিল। আজি অন্তিমগৰাকী ভাৰোত্তোলক হিচাপে জুনিয়ৰৰ ৭৯ কিলোগ্ৰাম শাখাত বেদব্ৰত ভড়ালীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০

অন্য ধৰ্মৰ লোকক মাটিৰ বিক্ৰীত কঠোৰতা, অসম মেডিকেল কলেজলৈ সৰ্বোৎকৃষ্ট সেৱাৰ সন্মান, অসম চুক্তি ৰূপায়ণৰ দাবীত আছুৰ আন্দোলন ঘোষণা আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কালি সন্ধিয়াৰে পৰা গুৱাহাটীত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বিভিন্ন স্থানত কৃত্ৰিম বানৰ সৃষ্টি, গুৱাহাটীৰ সমীপৰ যোৰাবাটত পানীত পৰি এজন লোকে প্ৰাণ হেৰুওৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰতো ধাৰাসাৰ বৰষুণৰ ফলত বৈষ্ণো দেৱী মন্দিৰলৈ যাবাৰ পথত কালি হোৱা ভূমিস্খলনত ৪৪ জন ভক্তৰ মৃত্যু হোৱাৰ লগতে ৩২ জনৰো অধিক ভক্ত আহত হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে সবিস্তাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে ১০০ টকা মূল্যৰ এটা স্মাৰক মুদ্ৰা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন, নিয়মীয়া বাৰ্তা** আদিৰ লগতে প্ৰায়কেইখন কাকতে প্ৰকাশ কৰিছে।

এন ডি এৰ পঞ্চায়ত সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। বাতৰিটো **অসমীয়া খবৰ, আমাৰ অসম** আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ট্ৰাম্প চৰকাৰে জাপি দিয়া ৫০ শতাংশ শুল্কৰ ফলত ভাৰতৰ শ্বেয়াৰ বজাৰ ধৰাশায়ী হোৱাৰ লগতে ৰপ্তানী বাণিজ্য বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে বিশেষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গুৱাহাটীৰ নুনমাটি-আমবাৰী সংযোগী নিৰ্মীয়মান উৰণ সেতুত বিদ্যুৎপৃষ্ট হৈ এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

খাৰুৱা তেল আৰু গেছৰ ৰয়েল্টিৰ ক্ষেত্ৰত দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমে শীৰ্ষত স্থান লাভ কৰিছে। বাতৰিটো **দা ছেণ্টিনেল** কাকতৰ।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

জম্মু-কাশ্মীৰত বান পৰিস্থিতিত কৰ্তব্যৰত কাছাৰ জিলাৰ উদাৰবন্দৰ বি এছ এফ জোৱান ৰাজীৱ নুনীয়াই কালি প্ৰাণ হেৰুৱায়। জিলাখনৰ দয়াপুৰ গাঁৱৰ বাসিন্দা ২৩ বছৰীয়া জোৱানজনে বান পৰিস্থিতিৰ সময়ত নিজৰ দায়িত্ব পালন কৰি থকা অৱস্থাত ৰাছটাৱাৰ ভাগি পৰাত তেওঁৰ মৃত্যু হয়। জোৱানজনৰ মৃত্যুত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী কৌশিক ৰায়ে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়ৰ সকলো অঞ্চলত মজলীয়া  বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডত পাতলীয়া বৰষুণ হোৱাৰ লগতে ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে ধুমুহা অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত